“তোমালোকৰ মাজৰ কাৰোবাক খলীল হিচাপে গ্রহণ কৰাৰ পৰা মই আল্লাহৰ ওচৰত সম্পূৰ্ণৰূপে মুক্ত ঘোষণা কৰিলোঁ। কিয়নো আল্লাহ তাআলাই মোক খলীল হিচাপে গ্রহণ কৰিছে। যিদৰে তেওঁ ইব্ৰাহীম আলাইহিচ্ছালামক খলীল হিচাপে গ্রহণ কৰিছিল।

জুন্দুব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ “মই নবী চাল্লাল্লাহু আলাইহি অছাল্লামক তেখেতৰ মৃত্যুৰ পাঁচ দিন পূর্বে এই কথা কওঁতে শুনিছোঁ যে, “তোমালোকৰ মাজৰ কাৰোবাক খলীল হিচাপে গ্রহণ কৰাৰ পৰা মই আল্লাহৰ ওচৰত সম্পূৰ্ণৰূপে মুক্ত ঘোষণা কৰিলোঁ। কিয়নো আল্লাহ তাআলাই মোক খলীল হিচাপে গ্রহণ কৰিছে। যিদৰে তেওঁ ইব্ৰাহীম আলাইহিচ্ছালামক খলীল হিচাপে গ্রহণ কৰিছিল। আৰু যদি মই মোৰ উম্মতৰ মাজৰ
পৰা কাৰোবাক খলীল হিচাপে গ্রহণ কৰিলোহেঁতেন তেন্তে নিশ্চয় আবু বকৰক খলীল হিচাপে গ্রহণ কৰিলোহেঁতেন। সাৱধান, তোমালোকৰ পূর্বৱর্তী উম্মতবোৰে তেওঁলোকৰ নবীসকলৰ কবৰক মছজিদত পৰিণত কৰিছিল। সাৱধান, তোমালোকে কবৰক মছজিদত পৰিণত নকৰিবা। মই তোমালোকক এই কাম কৰিবলৈ বাৰে বাৰে নিষেধ কৰোঁ।” [ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ওচৰত থকা তেখেতৰ মৰ্যাদা সম্পৰ্কে সংবাদ দিছে। অৰ্থাৎ তেখেতে মুহাব্বতৰ সৰ্বোচ্চ পৰ্যায়ত উপনীত হৈছে, যিদৰে ইব্ৰাহীম আলাইহিচ্ছালাম উপনীত হৈছিল। সেয়ে তেখেতে আল্লাহৰ বাহিৰে আনক খলীল হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। কাৰণ তেখেতৰ অন্তৰ আল্লাহৰ মুহাব্বতেৰে আৰু তেওঁৰ প্ৰতি থকা সন্মান আৰু ভক্তিৰে ভৰি আছে। সেয়ে আল্লাহৰ বাহিৰে আনৰ বাবে তাত কোনো ঠাই নাই। মানুহৰ মাজত যদি তেখেতৰ কোনো খলীল থাকিলহেঁতেন তেন্তে তেওঁ হ'লহেঁতেন আবু বকৰ ৰাদ্বিয়াল্লাহু আনহু। ইয়াৰ পিছত তেখেতে মুহাব্বতৰ বৈধ সীমাৰেখা অতিক্ৰম কৰিবলৈ সতৰ্ক কৰিছে। যিদৰে ইয়াহুদী আৰু খৃষ্টানসকলে সিহঁতৰ নবী আৰু পূণ্যৱান লোকসকলৰ কবৰক শ্বিৰ্কৰ আড্ডাত পৰিণত কৰিছিল, আল্লাহৰ বাহিৰে সিহঁতে সেইবোৰকে উপাসনা কৰিছিল, আৰু সেই কবৰসমূহৰ ওপৰত মছজিদ তথা উপাসনালয় নিৰ্মাণ কৰিছিল। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সিহঁতৰ দৰে এনেকুৱা কাম কৰিবলৈ নিষেধ কৰিছে।

http://www.sunnah.global/hadeeth/as/show/3347